THE DAINIK ASOM
GUWAHATI FRIDAY 24th APRIL, 2015

# চৰাইদেউত উদ্ধাৰ হোৱা মানৱ অংগৰ ডি এন এ পৰীক্ষা



নিজা বাতৰি দিওঁতা

**শিৱসাগৰ, ২৩ এপ্ৰিল ঃ** ২০০২ চনত ঐতিহাসিক চৰাইদেউ মৈদামৰ শিৱসিংহ মৈদামৰূপে জনাজাত মৈদামৰ অন্তৰ্ভাগত খনন চলাই ভাৰতীয় প্ৰত্নতাত্ত্বিক বিভাগে মানৱ মুণ্ড, হাত-ভৰি, দাঁত্সহ ৬৬টা কংকালৰ অংগ উদ্ধাৰ কৰিছিল। এই মানৱ দেহৰ অংগবোৰৰ প্ৰাৰম্ভিক পৰীক্ষা কৰি আজি এই সন্দৰ্ভত তথ্য প্ৰকাশ কৰে ভাৰতীয় প্ৰত্নতাত্ত্বিক বিভাগে। শিৱসাগৰ প্ৰত্নতাত্ত্বিক বিভাগৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সংবাদ মেলত পুণেৰ ডেক্কান কলেজৰ সহকাৰী অধ্যাপক ডাঃ বীণা

## তলাতল ঘৰতো খনন

মুচৰিফ ত্ৰিপাঠীয়ে উল্লেখ কৰে যে চৰাইদেউৰ খননত ৫টা মানৱ মুণ্ড উদ্ধাৰ কৰা হৈছিল। তাৰ লগতে ৬৬ ডাল বিভিন্ন হাড় উদ্ধাৰ হৈছিল। প্ৰাৰম্ভিক পৰীক্ষাত এইবোৰ ৬জন ব্যক্তিৰ অংগ-প্ৰত্যক্ষ বুলি ধৰা পৰিছে। এটা মুণ্ডাৰ সন্ধান পোৱা নাই যদিও ৫টা মুণ্ড আৰু অংগ-প্ৰত্যংগ পৰীক্ষা কৰাত দেখা গৈছে যে এটা মানৱ মুণ্ডৰ বয়স ৪০ বছৰৰ বেছি। বাকী ৪টা মহিলাৰ। তাৰে দুটাৰ বয়স ২০ৰপৰা ৩০ আৰু আন ২টাৰ বয়স ৩০ৰপৰা ৩৫ বছৰ বুলি প্ৰমাণ হৈছে। মৈদাম দিয়াৰ সময় ১৫ৰপৰা ১৭ শতিকাৰ মাজভাগৰ *৬ পৃষ্ঠাত চাওক*

# মানৱ অংগৰ ডি এন এ পৰীক্ষা

বুলি অনুমান কৰিব পাৰি। ডাঃ বীণা ত্ৰিপাঠীয়ে কয় যে ৬জন লোকৰ দেহৰ মুঠ ১২৩৬ ডাল হাড় উদ্ধাৰ হ'ব লাগিছিল যদিও খননত কেৱল ৬৬ ডালহে উদ্ধাৰ হৈছিল। কোনো দুষ্কৃতিকাৰীয়ে মৈদামৰ মূল্যৱান সা-সম্পদৰ আশাত মৈদাম খন্দাৰ বাবেই এনে হৈছিল। ইতিমধ্যে এই মানৱ অংগ আহোম যুগৰ বুলি প্ৰমাণ কৰাৰ বাবে শিৱসাগৰৰ আহোম ৰাজবংশৰ ২০গৰাকী লোকৰ তেজৰ নমুনা সংগ্ৰহ কৰা হৈছে। তেজৰ নমুনা আৰু প্ৰাচীন হাড়ৰ ডি এন এ পৰীক্ষা সম্পন্ন হ'লেহে এই তথ্য পোহৰলৈ আহিব। মাধুৰ্য ৰাজকোঁৱৰ নামৰ এজন ব্যক্তিয়ে এইক্ষেত্ৰত বিভাগক যথেষ্ট সহযোগ কৰিছে। সংবাদ মেলত উপস্থিত থকা ভাৰতীয় প্ৰত্নতাত্ত্বিক বিভাগৰ অধীক্ষক ডঃ মিলন ছাউলে কয় যে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমবাৰৰ বাবে প্ৰত্নতাত্ত্বিক বিভাগে এনে ঐতিহাসিক তথ্যৰ গৱেষণা আৰম্ভ কৰিছে। এই ডি এন এ পৰীক্ষাৰ বাবে কমেও দুবছৰ লাগিব। তেনেদৰে কাণপুৰৰ আই আই টি বিশেষজ্ঞ জাভেদ মালিকৰ অনুসন্ধানত জয়সাগৰৰ তলাতল ঘৰ আৰু গড়গাঁৱৰ কাৰেং ঘৰৰ অন্তৰ্ভাগত সুৰংগৰ কোনো সন্ধান লাভ কৰা নাই। কিন্তু আজিৰেপৰা প্ৰত্নতাত্ত্বিক বিভাগে শিৱসাগৰৰ ঐতিহাসিক তলাতল ঘৰৰ অন্তৰ্ভাগত সুৰংগৰ সন্ধানত খনন আৰম্ভ কৰিছে। এই পৰীক্ষা সম্পূৰ্ণ হ'লে অধিক তথ্য লাভ কৰিব পৰা যাব। তলাতল ঘৰৰ কাষতে থকা গোলাঘৰটো অস্ত্ৰভাণ্ডাৰৰ যাদুঘৰ হিচাপে গঢ়ি তোলাৰ প্ৰচেষ্টা চলোৱা হৈছে। কোনো ব্যক্তিৰ হাতত আহোম যুগৰ অস্ত্ৰ-শস্ত্ৰ আদি থাকিলে পুৰাতত্ত্ব বিভাগে কৃতজ্ঞতাৰে গ্ৰহণ কৰিব বুলি ডঃ মিলন ছাউলে উল্লেখ কৰে। সংবাদ মেলত ডঃ মিলন ছাউলে কয় যে বীণা মুচৰিফে প্ৰাৰম্ভিক পৰীক্ষা সম্পন্ন কৰা মানৱ দেহৰ অংগৰ সৈতে আহোম ৰাজপৰিয়ালৰ তেজৰ নমুনা ডি এন এ পৰীক্ষাৰ বাবে হায়দৰাবাদৰ ডাঃ যংৰাজ নেতৃত্বাধীন চি চি এমলৈ প্ৰেৰণ কৰা হৈছে।

O/O- THE SUPERINTENDING ARCHAEOLOGIST
ARCHAEOLOGICAL SURVEY OF INDIA
GUWAHATI CIRCLE, GNB ROAD, AMBARI
GUWAHATI-01